NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 14-**10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ চৰকাৰখনৰ কাৰ্যকালত উত্তৰ-পূৰ্বাঞ্চলত উন্নয়নৰ গতি ত্বৰান্বিত হৈছে বুলি কেন্দ্ৰীয় উত্তৰ-পূব উন্নয়ন মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই মন্তব্য কৰিছে।

২।	বাংলাদেশৰ মহম্মদ ইউনিছ নেতৃত্বাধীন অন্তৰৰ্তীকালীন চৰকাৰখনে দেশখনৰ সংবিধানৰ পৰা **ধৰ্মনিৰপেক্ষতা** শব্দটো আঁতৰ কৰাৰ পোষকতা কৰিছে।

৩।	মহাৰাষ্ট্ৰৰ সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান ব্যাপক কৰি তুলিছে।

***আৰু***

৪।	নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজিৰে পৰা ৪৩ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলা অনুষ্ঠিত হৈছে।

oooooooo

কেন্দ্ৰীয় উত্তৰ-পূব উন্নয়ন মন্ত্ৰী জ্যোতিৰাদিত্য সিন্দিয়াই কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ চৰকাৰখনৰ কাৰ্যকালত উত্তৰ-পূৰ্বাঞ্চলত উন্নয়নৰ গতি ত্বৰান্বিত হৈছে। দিনজোৰা ভ্ৰমণসূচীৰে মিজোৰামলৈ অহা মন্ত্ৰীগৰাকীয়ে আজি আইজলত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয়, যে ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চা চৰকাৰে অঞ্চলটোত ভাৰতীয় অৰ্থনীতিৰ অন্যতম চালিকা শক্তিত পৰিণত কৰিবলৈ বিচাৰে। দক্ষিণ-পূব এছিয়াৰ দুৱাৰমুখ- উত্তৰ-পূৰ্বাঞ্চলে দেশখনৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। মিজোৰামৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্যখনত পৰ্যটন, ক্ৰীড়া, বাঁহ উদ্যোগ, উদ্যান শস্য, কৃষি, জলবিদ্যুৎ, বন্যপ্ৰাণী আৰু দূৰ সংযোগকে ধৰি বিভিন্ন খণ্ডৰ বিকাশৰ প্ৰচুৰ সম্ভাৱনা আছে। অসামৰিক বিমান পৰিবহণ মন্ত্ৰ্যালয়ৰো দায়িত্বত থকা মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে উত্তৰ-পূৰ্বাঞ্চলত বিমান বন্দৰৰ সংখ্যা ১৭টালৈ বৃদ্ধি পাইছে আৰু অচিৰেই আঠোখন ৰাজ্যৰ ৰাজধানী নগৰসমূহলৈ ৰে'ল সংযোগৰ কাম সম্পূৰ্ণ কৰা হ'ব।

oooooooo

বাংলাদেশৰ মহম্মদ ইউনিছ নেতৃত্বাধীন অন্তৰৰ্তীকালীন চৰকাৰখনে দেশখনৰ সংবিধানৰ পৰা **ধৰ্মনিৰপেক্ষতা** শব্দটো আঁতৰ কৰাৰ পোষকতা কৰিছে। বাংলাদেশৰ সংবিধানৰ পঞ্চদশ সংশোধনী বাতিল কৰাৰ ঔচিত্য সন্দৰ্ভত হোৱা শুনানিৰ সময়ত ঢাকা উচ্চ ন্যায়ালয়ত দেশৰখনৰ এটৰ্নি জেনেৰেল মহম্মদ আছাদুজ্জামানে ৯০ শতাংশ মুছলমান প্ৰধান দেশখনত এই ধৰ্মনিৰপেক্ষতা শব্দটোৱে দেশখনৰ বাস্তৱিক ছবি দাঙি ধৰিব নোৱাৰে বুলি চৰকাৰখনৰ সপক্ষে যুক্তি আগবঢ়ায়। এটৰ্নি জেনেৰেল গৰাকীয়ে দেশখনৰ সংবিধানত থকা **সমাজতান্ত্ৰিক, বাঙালী জাতীয়তাবাদ** আদি শব্দ আৰু শ্বেখ মজিবুৰ ৰহমানক **জাতিৰ পিতা** উপাধিৰ ব্যৱহাৰ প্ৰত্যাহাৰ কৰাৰ সপক্ষেও যুক্তি দৰ্শায়। আছাদুজ্জামানে যুক্তি দৰ্শায় যে কোনো এখন দেশৰ পৰিচয় ভাষাৰ জৰিয়তে দাঙি ধৰিলে ই জনসাধাৰণৰ

মাজত অযথা বিভাজনৰ সৃষ্টি কৰে। তেওঁ পঞ্চদশ সংবিধান সংশোধনীৰ দ্বাৰা অন্তৰ্বৰ্তীকালীন চৰকাৰ ব্যৱস্থাটোৰ বিলুপ্তি সাধনৰ বিপক্ষেও যুক্তি দৰ্শায়।

oooooooo

জনজাতীয় গৌৰৱ দিৱসৰ প্ৰাকসন্ধ্যা দেশৰ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নিশা ৮ বজাত ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ প্ৰদান কৰিব। আকাশবাণী দিল্লীয়ে এই ভাষণ ইয়াৰ ইন্দ্ৰপ্ৰস্থ, আকাশবাণী লাইভ নিউজ 24x7, এফ এম গ'ল্ড আৰু এফ এম ৰেইনব' চেনেলসমূহৰ জৰিয়তে প্ৰচাৰ কৰিব। কাইলৈ পুৱা ৮ বাজি ৪৫ মিনিট আৰু সন্ধিয়া চাৰে ৫ বজাত আকাশবাণীৰ সকলোবোৰ মুখ্য চেনেল, স্থানীয় অনাতাঁৰ কেন্দ্ৰ, এফ এম গ'ল্ডৰ সকলোবোৰ চেনেল আৰু এফ এম ৰেইনব' চেনেলসমূহে এই ভাষণৰ পুনৰ প্ৰচাৰ কৰিব।

জনজাতি পৰিক্ৰমা মন্ত্ৰ্যালয়ে আয়োজন কৰা এই **জনজাতীয় গৌৰৱ দিৱসত** কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰিব। আকাশবাণী দিল্লীয়ে দিনৰ চাৰে ১১ বজাৰ পৰা এফ এম গ'ল্ড, ইন্দ্ৰপ্ৰস্থ, আকাশবাণী লাইভ নিউজ 24x7 যোগে এই অনুষ্ঠানৰ  পোনপটীয়াভাৱে প্ৰচাৰ কৰিব।

oooooooo

মহাৰাষ্ট্ৰৰ সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান ব্যাপক কৰি তুলিছে। প্ৰতিটো ৰাজনৈতিক দলৰ জ্যেষ্ঠ নেতাসকলে নিজ নিজ দলৰ প্ৰাৰ্থীৰ হৈ ঠায়ে ঠায়ে প্ৰচাৰ চলাই থকা পৰিলক্ষিত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীয়ে আজিও নিৰ্বাচনী প্ৰচাৰত ভাগ লৈছে। জনজাতি প্ৰধান নন্দুৰবাৰ জিলাত আজি কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে এখন নিৰ্বাচনী সভাত ভাষণ দি **বনবাসী** শব্দটো ব্যৱহাৰ কৰাৰ বাবে বিজেপি আৰু আৰ এছ এছক সমালোচনা কৰে। তেওঁ কয়, যে ভাৰতীয় সংবিধানত জনজাতি সম্প্ৰদায়ক আদিবাসী বুলি উল্লেখ কৰা হৈছিল। ৰাজ্যখনৰ জনসাধাৰণে **মহা বিকাশ অঘাৰী মৰ্চাক** ক্ষমতালৈ আনিলে দলীয় ইস্তাহাৰত দিয়া সকলোবোৰ প্ৰতিশ্ৰুতি পূৰণ কৰা হ'ব বুলি শ্ৰী গান্ধীয়ে উল্লেখ কৰে।

oooooooo

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কৈছে, যে দেশৰ কৃষকসকলক কোনো অপশক্তিয়ে বিভাজিত কৰিব নোৱাৰে আৰু এই কৃষক শ্ৰেণীয়ে হৈছে জাতিয়তাবাদৰ উৎকৃষ্ট উদাহৰণ। আজি আজমেৰৰ ওচৰৰ পুষ্কৰত শ্ৰী ধনখড়ে ১০৫ সংখ্যক ৰাষ্ট্ৰীয় জাট অধিৱেশনত অংশগ্ৰহণ কৰি এনেদৰে কয়। উপ-ৰাষ্ট্ৰপতিজনে কৃষকসকলক মূল্যবোধ তথা শুদ্ধ পথেৰে যুৱ প্ৰজন্মক আগবঢ়াই নিবলৈ আহ্বান জনায়। ইয়াৰ লগতে তেওঁ পৰিয়াল তথা পৰিৱেশৰ প্ৰতি দায়িত্বশীল হোৱাৰ লগতে নিজ নিজ কৰ্তব্যসমূহ সঠিকভাৱে পালন কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। তেওঁ এই ভ্ৰমণৰ সময়ত ব্ৰহ্মমন্দিৰ আৰু জাট শিৱ মন্দিৰো দৰ্শন কৰে।

oooooooo

বিকশিত ভাৰতৰ দিশত মহাৰাষ্ট্ৰই দেশক নেতৃত্ব দিয়া উচিত আৰু ইয়াৰ অংশ হিচাপে ৰাজ্যখনত বৰ্তমান আধুনিক আন্তঃগাঁথনিৰ কেইবাটাও প্ৰকল্প ৰূপায়ণ  হৈ আছে। মাৰাঠৱাড়াৰ ছত্ৰপতি সম্ভাজী নগৰ জিলাত আজি এখন নিৰ্বাচনী সমাৰেশত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই বুলি মন্তব্য কৰে। অঞ্চলটোৰ বাবে ইতিমধ্যে ৭০ হাজাৰ কোটি টকাৰ কেইবাখনো বিনিয়োগ চুক্তিত স্বাক্ষৰ কৰা হৈছে আৰু ৪৫ হাজাৰ কোটিৰো অধিক টকা ব্যয়

সাপেক্ষ কেইবাটাও প্ৰকল্প ৰূপায়ণ হৈ আছে বুলি তেওঁ লগতে জানিবলৈ দিয়ে। ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী তথা এন চি পিৰ নেতা অজিত পাৱাৰে আজি দিণ্ডোৰিত এটা নিৰ্বাচনী ৰেলীক সম্বোধন কৰে।

ইপিনে, কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই ইগাটপুৰিত এটা ৰেলীত অংশগ্ৰহণ কৰে। তেওঁ প্ৰাক্তন প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ পৃষ্ঠপোষকতাৰ বিভিন্ন আন্তঃগাঁথনিমূলক প্ৰকল্প সন্দৰ্ভত আলোকপাত কৰে আৰু পণ্ডিত নেহৰুৰ ভাৰতৰ বিকাশৰ ভেটি বুলি উল্লেখ কৰে। তেওঁ কয়, যে প্ৰাক্তন প্ৰধানমন্ত্ৰী প্ৰয়াত ইন্দিৰা গান্ধী আৰু ৰাজীৱ গান্ধীয়ে ৰাষ্ট্ৰৰ হকে তেওঁলোকৰ জীৱন উৎসৰ্গা কৰিছে। শ্ৰী খাৰ্গেই মহাৰাষ্ট্ৰৰ জনসাধাৰণক ভুৱা প্ৰতিশ্ৰুতি দিয়া বুলি প্ৰধানমন্ত্ৰী মোদী আৰু বিজেপিক দোষাৰোপ কৰে। এন চি পিৰ শাৰদ পাৱাৰে পুনেত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাই আছে।

oooooooo

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজিৰে পৰা ৪৩ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলা অনুষ্ঠিত হৈছে। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে আজি ১৪ দিনীয়া এই বাণিজ্য মেলা উদ্বোধন কৰে। এইবাৰৰ বাণিজ্য মেলাৰ বিষয়বস্তু হৈছে-- ‘২০৪৭ চনত বিকশিত ভাৰত’। এইবাৰৰ মেলাত ঝাৰখণ্ডক বিশেষ গুৰুত্ব প্ৰদান কৰা লগতে বিহাৰ আৰু উত্তৰ প্ৰদেশে অংশীদাৰী ৰাজ্য হিচাপে ভাগ লৈছে। এই বাণিজ্য মেলাত চীন, ইজিপ্ত, ইৰাণ, দক্ষিণ কোৰিয়া, থাইলেণ্ড, তুৰস্ক, সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰকে আদি কৰি ১১ খন দেশে অংশগ্ৰহণ কৰিছে। আজিৰে পৰা ১৮ নৱেম্বৰলৈকে ব্যৱসায় বাণিজ্যৰ বাবে এই মেলা খোলা থাকিব আৰু ইয়াৰ পাছৰে পৰা ২৭ নৱেম্বৰলৈকে জনসাধাৰণে বাবে এই মেলা মুকলি থাকিব।

ভাৰত আন্তঃৰাষ্ট্ৰীয় বাণিজ্য মেলা উদ্বোধন কৰি মন্ত্ৰী পীয়ুষ গোৱেলে দুবছৰৰ মূৰে মূৰে বাণিজ্য মেলা আয়োজনৰ প্ৰয়োজন সন্দৰ্ভত আলোকপাত কৰে। তেওঁ কয় যে, চৰকাৰে ভাৰত বাণিজ্য– সম্প্ৰসাৰণ সংস্থাই ইয়াৰ পৰিসৰ বৃদ্ধিৰ বাবে প্ৰয়াস চলাই আছে। মন্ত্ৰীগৰাকীয়ে লগতে ভাৰতৰ নিজা প্ৰদৰ্শনীসমূহ বিশ্বৰ অন্যান্য প্ৰান্তত আয়োজন কৰাৰো পোষকতা কৰে।

oooooooo

আন্তৰ্জাতিক মুদ্ৰা বজাৰত ভাৰতীয় টকাৰ মূল্য মাৰ্কিন ডলাৰৰ তুলনাত ৮৪ টকা ৩৯ পইচালৈ হ্ৰাস পাইছে। কালিৰ তুলনাত টকাৰ মূল্যৰ সামান্য অৱনমন ঘটিছে। অৱশ্যে চুবুৰীয়া দেশকেইখনৰ মুদ্ৰাৰ তুলনাত ভাৰতীয় টকাৰ মূল্য পূৰ্বতকৈ বৃদ্ধি পাইছে।

oooooooo

কৰ্মচাৰী, ৰাজহুৱা ওজৰ-আপত্তি আৰু পেন্সন বিভাগৰ ৰাজ্য মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে কৈছে যে, ৰাষ্ট্ৰীয় শিক্ষণ সপ্তাহ কৰ্মযোগী সপ্তাহৰ ফলাফল অতি সুন্দৰ আৰু এই অনুষ্ঠানত দেশৰ কৰ্মযোগীসকলক কাষ চপাই অনাত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। দিল্লীত অনুষ্ঠিত কৰ্মযোগী সপ্তাহৰ সামৰণি অনুষ্ঠানত ভাষণ দি ড০ সিঙে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় শিক্ষণ সপ্তাহৰ ধাৰণাটো আগবঢ়াই আনিছে। তেওঁ কয়, যে এই শিক্ষণ প্ৰক্ৰিয়া অবিৰত থকা উচিত। দক্ষতা নিৰ্মাণ আয়োগৰ অধ্যক্ষ আদিল জাইনুলভায়ে কয়, যে ৱেবিনাৰ, কৰ্মশালা তথা iGOT মঞ্চত দক্ষতাৰ সৈতে জড়িত শিক্ষা ব্যৱস্থাসমূহে কৰ্মক্ষেত্ৰৰ সৈতে জড়িত লোকসকলৰ বাবে আজীৱন শিক্ষণ ব্যৱস্থাৰ পথ সুগম কৰি তুলিছে। ১৯ ৰ পৰা ২৭ অক্টোবৰলৈকে অনুষ্ঠিত কৰ্মযোগী সপ্তাহত

বিভিন্ন চৰকাৰী বিভাগৰ কনিষ্ঠৰ পৰা জ্যেষ্ঠ কৰ্মচাৰীসকলে শিক্ষা আৰু বিকাশৰ সুন্দৰ অভিজ্ঞতা লাভ কৰিলে। উল্লেখযোগ্য যোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীত ১৯ অক্টোবৰ তাৰিখে এই কৰ্মযোগী সপ্তাহৰ উদ্বোধন কৰিছিল।

০০০০০০০০

সমাপ্ত